আৰবিআই/২০১৬-১৭/১২৫
ডিচিএম (পিএলজি) নং ১২৬৪/১০.২৭.০০/২০১৬-১৭

১১ নৱেম্বৰ,২০১৬

অধ্যক্ষ/পৰিচালন সঞ্চালক/মুখ্য কাৰ্যবাহী বিষয়া, ৰাজহুৱা খণ্ডৰ বেংক/বেচৰকাৰী খণ্ডৰ বেংক/বিদেশী বেংক/ক্ষুদ্ৰ বিত্ত বেংক/আঞ্চলিক গ্ৰামীণ বেংক/স্থানীয় এলেকা বেংক/সকলো সমবায় বেংক

মহাশয়,

**বৰ্তমানৰ ৫০০ আৰু ১০০০ টকীয়া বেংকনোট বৈধ মুদ্ৰা বৈশিষ্ট্য প্ৰত্যাহাৰ ৰিপৰ্টিং আৰু মণিটৰিং**

অনুগ্ৰহ কৰি বৰ্তমানৰ ৫০০ আৰু ১০০০ টকীয়া বেংক নোটৰ পৰা বৈধ মুদ্ৰা বিশিষ্টাখিনি প্ৰত্যাহাৰ বিষয়ক আমাৰ চাৰ্কুলাৰ ডিচিএম (পিএলজি) নং ১২৬৪/১০.২৭.০০/২০১৬-১৭ দিনাংক ৮ নৱেম্বৰ,২০১৬ৰ দফা ৪ (ৰিপৰ্টিং মেকানিজিম) উনুকিয়াওক যাৰ সাপেক্ষে বেংকবিলাকে নিৰ্দিষ্ট বেংকনোট বিনিময়ৰ ক্ষেত্ৰত আৰবিআইক দৈনিক স্থিতি প্ৰতিবেদিত কৰিব লাগে। এই সন্দৰ্ভত বেংকসমূহক এইটোও জনোৱা হল যে প্ৰতিবেদনত নগদ বিনিময় আৰু একাউন্টত জমাভুক্তি তথ্যও থাকিব লাগিব। বেংকবিলাকে জাল নোট চিনাক্তকৰণৰ বিষয়েও দৈনিক ৰিপৰ্ট কৰিব লাগিব। সেই অনুসাৰে সংলগ্ন পত্ৰ ৬ আৰু ৬(ক) সংশোধিত কৰি লগত দিয়া হল। একত্ৰিত ৰিপৰ্ট -৬ক পৰৱৰ্তী দিনৰ ব্যৱসায় সামৰণিৰ অন্তত ই-মেইল কৰিব লাগিব।

২. অদ্যোপৰি ওপৰোক্ত চাৰ্কুলাৰ দফা ৮ৰ সন্দৰ্ভত নডেল অফিচাৰৰ যোগাযোগ সবিশেষ ই-মেইল যোগে ১১ নৱেম্বৰ,২০১৬ৰ ব্যৱসায় সামৰণিত তলৰ ফৰমেটত দাখিল কৰিবলৈ কোৱা হল-

| **বেংকৰ নাম** | **নডেল অফিচাৰৰ নাম** | **টেলিফোন নম্বৰ** | **ফেক্স নং** | **মোবাইল নং** | **মেইল আই ডি** |
|---|---|---|---|---|---|
| | | | | | |

(এক্সেল ফৰমেটত দাখিল কৰিব লগা)

আপোনাৰ বিশ্বাসী

(পি বিজয় কুমাৰ)
মুখ্য মহা প্ৰবন্ধক

সংলগ্ন ৬

**৫০০ আৰু ১০০০ টকীয়া এছবিএনৰ**
**দৈনিক প্ৰাপ্তি কণ্ট্ৰলিং বিষয়াক জনোৱাৰ ফৰমেট**

বেংকৰ নাম ...................................

শাখাৰ নাম .............................................. আই এফ এছ চি কড .................................

শাখাত এছবিএন গ্ৰহণ কৰা তাৰিখ ............................তলৰ মতে

| **বিতং বৰ্ণনা** | **৫০০ (নোটৰ সংখ্যা)** | **১০০০ নোটৰ সংখ্যা** | **মুঠ মূল্য** |
|---|---|---|---|
| নগদত বিনিময় কৰা | | | |
| একাউন্টত জমা দিয়া | | | |
| মুঠ | | | |
| চিনাক্ত কৰা জাল নোট | | | |

শাখা প্ৰভাৰীৰ নাম আৰু ডেজিগনেচন ..........................................................................

শাখা প্ৰভাৰীৰ সাক্ষৰ ..........................................................................................

তাৰিখ ........................................ স্থান ..............................................................

সংলগ্ন–৬ (ক)

**৫০০ আৰু ১০০০ টকা মুদ্ৰাবৰ্গত**
**দৈনিক প্ৰাপ্তি এছবিএন সম্পৰ্কে আৰ বি আইৰ ডিচিএম, কেন্দ্ৰীয় কাৰ্যালয়ক ৰিপৰ্টিং ফৰমেট**

বেংকৰ নাম ...................................

লেনদেনৰ তাৰিখ ...............................................

এছ বি এন গৃহীত হোৱাৰ সবিশেষ

| বিতং বৰ্ণনা | ৫০০ (নোটৰ সংখ্যা) | ১০০০ নোটৰ সংখ্যা | মুঠ মূল্য |
|---|---|---|---|
| নগদত বিনিময় কৰা | | | |
| একাউন্টত জমা দিয়া | | | |
| মুঠ | | | |
| চিনাক্ত কৰা জাল নোট | | | |